**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 20-12-2025 **Time :** 1340 HRS.

ASSAMESE 1340 PM BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হ'ব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে প্ৰায় ১৫ হাজাৰ ৬০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। অসমৰ নগাঁও জিলাৰ চাংজুৰাই'ত পুৱতি নিশা চাইৰাং নতুন দিল্লী-ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত ৭টা বনৰীয়া হাতীৰ মৃত্যু হয়।

৩। ভাৰত ঘৰুৱা অসামৰিক বিমান পৰিবহণৰ ক্ষেত্ৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ বজাৰ হিচাপে পৰিগণিত হৈছে।

৪। কেন্দ্ৰীয় চৰকাৰে অহা ফেব্ৰুৱাৰীত দাখিল কৰিবলগীয়া ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেটৰ বাবে জনসাধাৰণৰ পৰা দিহা-পৰামৰ্শ বিচাৰিছে।

আৰু

৫। পাকিস্তানৰ আদালতে টোচাখানা-২ দুৰ্নীতি গোচৰত দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খান আৰু তেওঁৰ পত্নীক ১৭ বছৰ কাৰাদণ্ড বিহিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰায় ১৫ হাজাৰ ৬০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে আজি গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নৱনিৰ্মিত বাঁহ অৰ্কিড টাৰ্মিনেল ভৱন উদ্বোধন কৰিব। ৪ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে এই নতুন টাৰ্মিনেল ভৱনটো নিৰ্মাণ কৰা হৈছে। প্ৰায় এক লাখ ৪০ হাজাৰ বৰ্গমিটাৰ এলেকাজুৰি নিৰ্মাণ কৰা এই নতুন টাৰ্মিনেলটো বছৰি এক কোটি ৩০ লাখ যাত্ৰীক সেৱা আগবঢ়াব পৰাকৈ নিৰ্মাণ কৰা হৈছে। বাঁহ আৰু অৰ্কিড বিষয়বস্তুৰে নিৰ্মাণ কৰা এই টাৰ্মিনেল ভৱনে অসমৰ জৈৱ বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰিছে। প্ৰধানমন্ত্ৰীয়ে বিমানবন্দৰতে অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিব। এই কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, অসামৰিক পৰিবহণ মন্ত্ৰী কিঞ্জাৰাপু ৰামমোহন নাইডু, ৰাজ্যমন্ত্ৰী মুৰলীধৰ মহল, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি কেইবাগৰাকী মন্ত্ৰী-বিধায়ক উপস্থিত থাকিব। তেওঁ লগতে টাৰ্মিনেল ভৱনৰ বাহিৰত এখন জনসভাত ভাগ ল'ব। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ সন্মানাৰ্থে দলীয় কৰ্মকৰ্তাসকলে বৃহৎ ৰোড শ্ব'ৰ আয়োজন কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰৰ নতুন টাৰ্মিনেল ভৱন উদ্বোধন কৰাৰ পাছত বৰঝাৰত সম্বোধন কৰিবলগীয়া ৰাজহুৱা সভাৰ ভাষণ আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি বিয়লি ৩ বাজি ৪৫ মিনিটৰ পৰা পোনপটীয়াকৈ প্ৰচাৰ কৰিব। এই অনুষ্ঠান মহাবাহু শাখাৰ মিডিয়াম ৱেভ আৰু এফ এম বেণ্ডত প্ৰচাৰিত হোৱাৰ লগতে ৰাজ্যৰ আটাইবোৰ কেন্দ্ৰই ৰিলে কৰিব। বাতৰি বুলেটিনকে ধৰি কেন্দ্ৰৰ নিয়মীয়া অনুষ্ঠানসমূহ নিউজ অন এ আই আৰ এপযোগে প্ৰচাৰিত হ'ব।

শ্ৰীমোদীয়ে কাইলৈ গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ কেইবাগৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীত অংশ লৈ তেওঁলোকৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি তৰ্পণ কৰিব।

প্ৰধানমন্ত্ৰীগৰাকী ইয়াৰ পাছত কাইলৈ নামৰূপলৈ যাব আৰু নামৰূপ সাৰ কাৰখানাত ১২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে এখন জনসভাতো অংশ ল'ব। ইতিমধ্যে এই অনুষ্ঠানৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। মন্ত্ৰী বিমল বৰাই আজি জনসভাস্থলী পৰিদৰ্শন কৰি সকলো দিশ পৰ্যালোচনা কৰে।

oooooooo

অসমৰ নগাঁও জিলাৰ কামপুৰ-যমুনামুখৰ মাজৰ চাংজুৰাই ৰে'লপথত আজি পুৱতি নিশা ২ বাজি ১৭ মিনিটত নামনিমুৱা চাইৰাং নতুন দিল্লী-ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত ৭টা বনৰীয়া হাতীৰ মৃত্যু হয় আৰু এটা আহত হয়। এই দুৰ্ঘটনাত ৰে'লখনৰ ইঞ্জিনসহ পাঁচটা দবা লাইনৰ পৰা বাগৰি পৰে। দুৰ্ঘটনাত কোনো লোক হতাহত হোৱা নাই বুলি ৰে'ল বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। আমাৰ নগাঁৱৰ সংবাদদাতাই জনোৱা মতে পুৱতি নিশা বনৰীয়া হাতীৰ এটা জাকে ৰে'লপথ অতিক্ৰম কৰাৰ সময়তে এই দুৰ্ঘটনাটো সংঘটিত হয়। নগাঁও সংমণ্ডলৰ বন বিষয়া সুভাষ কদমে ঘন কুঁৱলীৰ বাবে চাংজুৰাইত এই অঘটনটো ঘটে। ইয়াৰ ভিতৰত দুটা দঁতাল হাতী আৰু এজনী গৰ্ভৱতী হাতীকে ধৰি পাঁচজনী মাইকী হাতী আছিল।

ঘটনাৰ খবৰ পোৱা মাত্ৰেই ৰে'ল বিভাগ আৰু বন বিভাগৰ বিষয়া কৰ্মচাৰী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। তেওঁলোকে তৎপৰতাৰে কাম আৰম্ভ কৰি ৰে'লপথছোৱা মুকলি কৰে।

ooooooooo

ভাৰত ঘৰুৱা অসামৰিক বিমান পৰিবহণৰ ক্ষেত্ৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ বজাৰ হিচাপে পৰিগণিত হৈছে। অসামৰিক বিমান পৰিবহণ বিভাগৰ সচিব সমীৰ কুমাৰ সিন্‌হাই প্ৰকাশ কৰা মতে দেশৰ বিমান বহৰৰ সংখ্যা ২০১৪ চনত ৩৯৫ ৰ তুলনাত ২০২৫ত ৮৪৪ লৈ বৃদ্ধি পাইছে। অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ৰ অধীনত অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ে আয়োজন কৰা এখন আলোচনাচক্ৰত অংশগ্ৰহণ কৰি সচিবগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে বিগত দশকত দেশত যাত্ৰীৰ সংখ্যা বছৰি ৯ শতাংশ হাৰত আৰু বিমানযোগে সৰবৰাহ কৰা সামগ্ৰীৰ পৰিমাণ ২ দশমিক ৯ শতাংশ বৃদ্ধি পাইছে। তেওঁ কয়, যে সুৰক্ষা কোনো নিশ্চিত লক্ষ্যস্থান নহয়, বৰং নিৰন্তৰ যাত্ৰাহে আৰু ইয়াৰ বাবে সতৰ্কতা, নিয়ম ৰক্ষা আৰু দায়বদ্ধতা জৰুৰী। অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ৰ মুৰব্বী ফেইজ আহমেদ কিড়্‌ৱাইয়ে কৈছে যে নিয়ামক সংস্থাটো সুৰক্ষা ব্যৱস্থাৰ তদাৰক আৰু গোলকীয় সমন্বয়ৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ লগতে ভাৰতীয় বায়ুযান অধিনিয়ম, ২০২৪, ৰাজ্যিক সুৰক্ষা কাৰ্যসূচী

আৰু ৰাষ্ট্ৰীয় বিমান পৰিবহণ সুৰক্ষা পৰিকল্পনা ৰূপায়ণসহ অসামৰিক বিমান পৰিবহণ খণ্ডৰ গুৰুত্বপূৰ্ণ উদ্যমসমূহৰ বিষয়ে উল্লেখ কৰে।

০০০০০০০০০

সশস্ত্ৰ সীমা বল, এছ এছ বিৰ আজি প্ৰতিষ্ঠা দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাহিনীটোৰ সকলো বিষয়া-জোৱানলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে এছ এছ বিৰ নিস্বাৰ্থ নিষ্ঠাই সেৱা আৰু ত্যাগৰ সৰ্বোচ্চ পৰম্পৰাক প্ৰতিফলিত কৰিছে। তেওঁ লগতে কয় যে বাহিনীটোৰ শক্তিশালী কৰ্তব্যনিষ্ঠা দেশৰ সুৰক্ষাৰ ক্ষেত্ৰত অন্যতম গুৰুত্বপূৰ্ণ ভেটি হিচাপে পৰিগণিত হৈ আহিছে। বিভিন্ন পৰিস্থিতিত দেশক সুৰক্ষা দিয়াত এছ এছ বিৰ জোৱানসকলে লৈ অহা ভূমিকাৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে বাহিনীটো সদায় দেশৰ সেৱাৰ ক্ষেত্ৰত সক্ৰিয় হৈ আছে।

০০০০০০০

নেচনেল হেৰাল্ড গোচৰত কংগ্ৰেছ নেত্ৰী ছোনীয়া গান্ধী, ৰাহুল গান্ধী আৰু অন্য পাঁচজনৰ বিৰুদ্ধে উত্থাপিত ক'লাধন বৈধকৰণৰ বিষয়টোক বিবেচনা কৰিবলৈ অস্বীকাৰ কৰি বিচাৰ আদালতে দিয়া ৰায়ক প্ৰত্যাহ্বান জনাই বিধি বলৱৎকাৰী সঞ্চালকালয়ে দিল্লী উচ্চ ন্যায়ালয়ৰ কাষ চাপিছে। বিধি বলৱৎকাৰী সঞ্চালকালয়ে ইয়াৰ আবেদনত বিচাৰ আদালতৰ ৰায়টোক খাৰিজ কৰিবলৈ আৰু ক'লাধন বৈধকৰণ প্ৰতিৰোধী আইনৰ অধীনত বিষয়টো চালি-জাৰি চাবলৈ অনুৰোধ জনাইছে। দিল্লীৰ এখন আদালতে যোৱা মঙলবাৰে নেচনেল হেৰাল্ড গোচৰত ছোনিয়া গান্ধী, ৰাহুল গান্ধী আৰু অন্য পাঁচজনৰ বিৰুদ্ধে উত্থাপিত ক'লাধন বৈধকৰণৰ অভিযোগ বিবেচনা কৰিবলৈ অস্বীকাৰ কৰিছিল। অৱশ্যে ন্যায়ালয়ে কেন্দ্ৰীয় তদন্ত সংস্থাটোৱে বিষয়টোৰ তদন্ত অব্যাহত ৰাখিব পাৰিব বুলি ৰায় দিছিল।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে অহা ফেব্ৰুৱাৰীত দাখিল কৰিবলগীয়া ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেটৰ বাবে জনসাধাৰণৰ পৰা দিহা-পৰামৰ্শ বিচাৰিছে। সৰ্বাত্মক বিকাশ আৰু ৰাষ্ট্ৰীয় প্ৰগতিৰ ধাৰা শক্তিশালী কৰাৰ লগতে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণেই ইয়াৰ মূল উদ্দেশ্য। WWW.MYGOV.IN পৰ্টেলৰ জৰিয়তে বাজেটৰ বাবে দিহা-পৰামৰ্শ প্ৰেৰণ কৰিব পৰা যাব।

০০০০০০০০০

মহাৰাষ্ট্ৰত ২৩খন পৌৰ পৰিষদ আৰু নগৰ পঞ্চায়তৰ ১৪৩টা খালী হৈ থকা সভাপতি আৰু সদস্য পদৰ বাবে আজি ভোটগ্ৰহণ কৰা হৈছে। ভোটগ্ৰহণ পুৱা চাৰে সাত বজাত আৰম্ভ হয় আৰু সন্ধ্যা চাৰে পাঁচ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। ৰাজ্যখনৰ সকলো পৌৰ পৰিষদ আৰু নগৰ পঞ্চায়তৰ ভোট গণনা ২১ ডিচেম্বৰত কৰা হ'ব। স্থানীয় নিকায়সমূহৰ ২ ডিচেম্বৰত প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ কৰা হৈছিল। এই পৰ্যায়ত ২৬৩খন পৌৰ পৰিষদ আৰু নগৰ পঞ্চায়তৰ বাবে নিৰ্বাচন অনুষ্ঠিত হৈছিল।

০০০০০০০০

পাকিস্তানৰ আদালতে টৌচাখানা-২ দুৰ্নীতি গোচৰত দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খান আৰু তেওঁৰ পত্নী বুশ্বৰা বিবিক ১৭ বছৰৰ কাৰাদণ্ড বিহিছে। বিশেষ আদালতৰ বিচাৰপতি ছাহৰুখ আৰ্জুমাণ্ডে ৰাৱলপিণ্ডিৰ আদিয়ালা কাৰাগাৰত কঠোৰ নিৰাপত্তা বেষ্টনীৰ মাজত আজি এই ৰায় দিয়ে। পত্নীসহ ইমৰান খানক দুৰ্নীতি প্ৰতিৰোধ আইনৰ

অধীনত ৭ বছৰ আৰু পাকিস্তান দণ্ডবিধি আইনৰ অধীনত ১০ বছৰৰ কাৰাদণ্ড বিহা হৈছে। আদালতে দুয়োজনৰ প্ৰত্যেককে১ কোটি ৬৪ লাখ পাকিস্তানী টকা জৰিমণা বিহিছে। ২০২৪ চনৰ জুলাইত ৰুজু হোৱা গোচৰ অনুসৰি খান দম্পতীয়ে দেশৰ মূল্যবান ঘড়ী, হীৰা-সোণৰ অলংকাৰ আদি সম্পদ ৰাষ্ট্ৰীয় উপহাৰ সংৰক্ষণ কক্ষ টৌচাখানাত জমা নথৈ চৌদি আৰৱক বিক্ৰী কৰি দিছিল। অভিযুক্ত দুগৰাকীয়ে বিশেষ আদালতৰ শাস্তিৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ত আবেদন কৰিব পাৰিব।

০০০০০০০০